**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-04-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## Headlines

১। লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ আজি পুৱা ৭ বজাৰ পৰা অব্যাহত আছে।

২। অসমৰ কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সংসদীয় সমষ্টিত ভোটগ্ৰহণ চলি আছে। বাতৰি যুগুতোৱাৰ পৰলৈকে ৪৫ শতাংশতকৈ অধিক ভোটধিকাৰ সাব্যস্ত হৈছে।

৩। জ্যেষ্ঠ বিজেপি নেতা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ তালেগাঁৱত ৱাৰ্ধা সমষ্টিৰ বিজেপি প্ৰাৰ্থীৰ সমৰ্থনত এখন নিৰ্বাচনী সভাত ভাষণ দিব।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ আজি পুৱা ৭ বজাৰ পৰা আৰম্ভ হৈছে। প্ৰায়ভাগ ভোটগ্ৰহণ কেন্দ্ৰত সন্ধিয়া ৬ বজালৈকে ভোটদান চলিব যদিও উত্তৰ-পূবৰ ৰাজ্যসমূহ আৰু পাহাৰীয়া ৰাজ্যসমূহত বিয়লি ৪ বজা আৰু ৫ বজাত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ অন্ত পৰিব। আনফালে বাওউগ্ৰপন্থী অধ্যুসিত এলেকাত ৩ আৰু ৪ বজাতেই ভোটগ্ৰহণৰ অন্ত পৰিব।

এই বাতৰি যুগুতোৱাৰ পৰলৈকে অসমত ৪৫ শতাংশ, মণিপুৰত ২৯ শতাংশ, ছিকিমত ২৪ শতাংশ, বিহাৰত ২০ শতাংশ, চত্তীশগড়ত ২৮ শতাংশ, উত্তৰ প্ৰদেশত ২৫ শতাংশ, মহাৰাষ্ট্ৰত ১৯ শতাংশ আৰু ৰাজস্থানত ২২ শতাংশতকৈ অধিক ভোটদান হৈছে বুলি জানিব পৰা গৈছে।

এই পৰ্যায়ত অসম, উত্তৰ প্ৰদেশ, পশ্চিম বংগ, বিহাৰ, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, ৰাজস্থান, তামিলনাডু, অৰুণাচল প্ৰদেশ, উত্তৰাখণ্ড, মণিপুৰ আৰু মেঘালয়সহ ১৭ খন ৰাজ্য আৰু চাৰিটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২টা সমষ্টি সামৰি লোৱা হৈছে। এই পৰ্যায়ত মুঠ ভোটদাতাৰ সংখ্যা ১৬ কোটি ৬৩ লাখ। ইয়াৰে ভিতৰত ৪ কোটি ৪০ লাখ পুৰুষ, ৮ কোটি ২৩ লাখ মহিলা আৰু ১১ হাজাৰ তৃতীয় লিংগৰ ভোটাৰ আছে। প্ৰথম পৰ্যায়ত ভোটদান কৰা নতুন ভোটদাতা প্ৰায় ৩৬ লাখ আছে বুলি জানিব পৰা গৈছে। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ১ লাখ ৬৩ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰ উপৰি ৮৫ বছৰ ঊৰ্ধৰ ১৪ লাখৰো অধিক আৰু প্ৰায় ১৪ লাখ দিব্যাংগ ভোটাৰক ঘৰৰ পৰাই ভোটদান কৰাৰ বিকল্প প্ৰদান কৰা হৈছে। নিৰ্বাচন আয়োগে ভোটগ্ৰহণৰ প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সকলো কেন্দ্ৰতে খোৱা পানী, শৌচালয়, হুইল চেয়াৰ, স্বেচ্ছাসেৱক, ৰেম্প আৰু বিদ্যুতৰ দৰে বুনিয়াদী সা-সুবিধাৰ ব্যৱস্থা কৰিছে।

নিৰ্বাচনী প্ৰক্ৰিয়াত নজৰ ৰখাৰ বাবে বিভিন্ন সমষ্টিত ৩৬১ গৰাকী  পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। ভোটদাতাসকলক প্ৰলোভনৰ ঘটনা ৰোধ কৰাৰ বাবে ৪ হাজাৰৰো অধিক ফ্লায়িং স্কোৱাড, ৫ হাজাৰৰো অধিক পৰিসংখ্যা নিৰীক্ষণ দল আৰু দুহাজাৰৰো অধিক ভিডিঅ' নিৰীক্ষণ দলে অহৰ্নিশে কাম কৰি আছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সুক্ষ্ম পৰ্যবেক্ষক নিয়োগ কৰা হৈছে আৰু মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ ৫০ শতাংশৰো অধিক কেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে।

দেশৰ আন প্ৰান্তৰ লগতে অসমৰ কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সংসদীয় সমষ্টিতো ভোটগ্ৰহণ আৰম্ভ হৈছে। এই সমষ্টিকেইটাত ভোটদান কৰিবলগীয়া ভোটদাতাৰ সংখ্যা ৮৬ লাখৰো অধিক। ডিব্ৰুগড় লোকসভা সমষ্টিত দিনৰ ১ বজালৈ ৪৪ দশমিক ০-২ শতাংশ ভোটদান সম্পন্ন হৈছে। যোৰহাটত ৪৭ দশমিক ৭-৩ শতাংশ, কাজিৰঙাত ৪৪ দশমিক ৩-২ শতাংশ, লখিমপুৰত ৪৪ দশমিক ৩-৩ শতাংশ আৰু শোণিতপুৰত ৪৫ দশমিক ২-৫ শতাংশ ভোটদান সম্পন্ন হৈছে। অসমত দিনৰ ১ বজালৈ ৪৫ দশমিক ১-২ শতাংশ ভোটদান সম্পন্ন হৈছে।

সমষ্টিকেইটাত কংগ্ৰেছ আৰু বিৰোধী ঐক্যমঞ্চৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে। এই পৰ্যায়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিজেপিৰ সাংসদ প্ৰদান বৰুৱা, তপন কুমাৰ গগৈ, কামাখ্যা প্ৰসাদ তাছা, কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈসহ কেইবাগৰাকীও আগশাৰীৰ নেতাৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব।

কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়ে যোৰহাটৰ ১০ নম্বৰ ৱাৰ্ডত ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে বুলি যোৰহাটৰ পৰা আমাৰ সংবাদদাতাই জানিবলৈ দিছে। ইফালে, ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত, অসম জাতীয় পৰিষদৰ লুৰিণজ্যোতি গগৈয়ে তিনিচুকীয়া জিলাৰ লাইপুলি মধ্য ইংৰাজী বিদ্যালয়ত আৰু আপৰ প্ৰাৰ্থী মনোজ ধানোৱাৰে ডিব্ৰুগড়ৰ ডাইনীজান প্ৰাথমিক বিদ্যালয়ত ভোটদান কৰিছে।  শোণিতপুৰত বিজেপি প্ৰাৰ্থী ৰঞ্জিত দত্ত আৰু কংগ্ৰেছ প্ৰাৰ্থী প্ৰেমলাল গঞ্জুৱে নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰিছে। কাজিৰঙা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰ'জলীনা তিৰ্কীয়েও ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

সমষ্টিকেইটাৰ অন্তৰ্গত জিলাসমূহৰ প্ৰশাসন তথা নিৰ্বাচন বিভাগসমূহে ভোটগ্ৰহণ প্ৰক্ৰিয়া স্বচ্ছ, শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ লগতে স্পৰ্শকাতৰ হিচাপে চিহ্নিত ভোটকেন্দ্ৰসমূহত সুৰক্ষা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে। তদুপৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদানৰ সময়ত ভোটদাতাসকলৰ সুবিধা হোৱাকৈ ব্যৱস্থাসমূহ ৰখাৰ দিহা কৰা হৈছে। গোলাঘাট জিলাত এহেজাৰ ৫৯ টা ভোটকেন্দ্ৰ আছে আৰু ইয়াত দুহেজাৰৰো অধিক নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। যোৰহাট সমষ্টিত ১৭ লাখ ১৮ হাজাৰৰো অধিক ভোটদাতা আছে। ইয়াৰে ২৯ হাজাৰ ৪৬২ গৰাকী নতুন ভোটদাতা। তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালে সকলোকে স্বতন্ত্ৰভাৱে আৰু শুদ্ধ বিবেচনাৰে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। জিলাখনত আজি ভোটদান কৰিবলগীয়া ভোটদাতাৰ সংখ্যা ৯ লাখ ৮৫ হাজাৰৰো অধিক। একেদৰে চৰাইদেউ জিলাৰ ৩৪৪ টা ভোটকেন্দ্ৰৰ ভিতৰত ৪টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা আৰু এটা বিশেষভাৱে সক্ষম বিষয়াৰ দ্বাৰা পৰিচালিত হৈছে।

অসম আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে স্পৰ্শকাতৰ ভোটকেন্দ্ৰসমূহত অৰ্ধ-সামৰিক বাহিনীৰ জোৱানক সুৰক্ষাৰ দায়িত্ব অৰ্পণ কৰা হৈছে আৰু ৫ হাজাৰ ৫০০ৰো অধিক ভোটকেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। লগতে এই কেন্দ্ৰসমূহত সূক্ষ্ম পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ হৈ থকা ১৪ খন জিলাত নিৰাপত্তা বাহিনীৰ ১০৬টা কোম্পানী নিয়োগ কৰা হৈছে।

ইপিনে, নিৰ্বাচনৰ সময়ছোৱাত সীমান্ত অঞ্চলত সুৰক্ষাৰ দিশটোত বিশেষ গুৰুত্ব আৰোপ কৰি ৰাজ্যখনৰ আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহ ছীল কৰি দিয়া হৈছে। এই সময়ছোৱাত অঞ্চলসমূহত জনসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰাৰ লগতে যিকোনো কূটাঘাতমূলক কাৰ্যকলাপ প্ৰতিৰোধ কৰাৰ বাবে চোকা দৃষ্টি ৰখা হৈছে।

০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ তালেগাঁৱত ৱাৰ্ধা সমষ্টিৰ বিজেপি প্ৰাৰ্থীৰ সমৰ্থনত এখন নিৰ্বাচনী সভাক সম্বোধন কৰিব। এই নিৰ্বাচনত তৃতীয় বাৰৰ বাবে বৰ্তমানৰ বিজেপি সাংসদ ৰামদাস তাদাছে মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিব।

আনহাতে, মহাবিকাশ আঘাড়ীৰ পৰা NCPৰ শৰদচন্দ্ৰ পাৱাৰ ফৈদে ৱাৰ্ধা সমষ্টিৰ বাবে অমৰ খালেক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। এই সমষ্টিৰ পৰা NCPৰ প্ৰাৰ্থীগৰাকীয়ে প্ৰথমবাৰৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইপিনে, বহুজন সমাজ পাৰ্টিয়ে ড০ মোহন ৰাইকৱাৰক প্ৰক্ষেপ কৰিছে। অহা ২৬ এপ্ৰিলত পশ্চিম বিদৰ্ভৰ ৱাৰ্ধাকে ধৰি আন ৪টা সমষ্টি-অমৰাৱতী, যাৱতমল, ৱাছিম, বুলদানা আৰু আকোলাত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০০

মধ্য প্ৰদেশত ৰাজনৈতিক দল সমূহে ব্যাপকভাৱে নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। বিজেপি, কংগ্ৰেছ, বি এছ পি, এছ পি আৰু নিৰ্দলীয় প্ৰাৰ্থীসকল নিৰ্বাচনী প্ৰচাৰত নামি পৰিছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ৰাজ্যখনৰ দামোহ জিলাত উপস্থিত হ'ব। শ্ৰী মোদীয়ে ইমলাই গাঁও খেলপথাৰত এখন জনসভাত ভাষণ দিব। মুখ্যমন্ত্ৰী ড০ মোহন যাদৱে খাজুৰাহো আৰু নৰ্মদাপুৰমত  প্ৰচাৰ চলাব। খাজুৰাহো, দামোহ আৰু পান্নাত মধ্যপ্ৰদেশ বিজেপিৰ ৰাজ্যিক সভাপতি বিষ্ণুদত্ত শৰ্মা, মেইহাৰ, চাতনা, বীৰ সিংপুৰত কৈলাশ বিজয়বৰ্গীয়া আৰু প্ৰহ্লাদ পেটেলে নিৰ্বাচনী প্ৰচাৰ চলাব। আনহাতে ৰাজ্যখনৰ কংগ্ৰেছ সভাপতি জিতু পাটৱাৰী বিৰোধী, দলপতি উমংগ সিংহাৰ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী অৰুণ য়াদৱ, ৰাজ্যসভাৰ সাংসদ বিবেক তাংখা আৰু প্ৰাক্তন মন্ত্ৰী জয়ৱৰ্ধন সিঙে সাগৰ আৰু শিৱপুৰীত প্ৰচাৰ চলাব।

০০০০০০০

কেৰালাত লোকসভা নিৰ্বাচনলৈ মাজত মাথো এসপ্তাহ বাকী থকা অৱস্থাত ৰাষ্ট্ৰীয় নেতাসকলে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ সভাপতি জে পি নাড্ডাই ৱায়ানাড, পালাক্কাড়, কোট্টয়াম আৰু তিৰুৱানন্তপুৰম জিলাত নিৰ্বাচনী প্ৰচাৰ চলাব। কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে চালাকুড়ি, পাঠানামথিত্তা আৰু তিৰুৱানন্তপুৰম সমষ্টিৰ ইউ ডি এফ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান চলাব। ইফালে চি পি এমৰ পলিত ব্যুৰোৰ সদস্য সুভাষিনী আলীয়ে আজি এল ডি এফৰ হৈ প্ৰচাৰ চলাব। মুখ্যমন্ত্ৰী পিনাৰায়ী বিজয়ানে আজি ক'ৰিক'ড় সমষ্টিত প্ৰচাৰ চলাব।

০০০০০০০

বিহাৰত ৫খন লোকসভা আসনৰ বাবে হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান চলি আছে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আজি বিয়লি কাটিহাৰৰ ৰাজেন্দ্ৰ ষ্টেডিয়ামত এখন ৰাজহুৱা সভাত ভাষণ দিব। আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ য়াদৱে আজি বাংকা সংসদীয় সমষ্টিৰ ভৈৰোগঞ্জত নিৰ্বাচনী সমাৰেশত সম্বোধন কৰিব। তেজস্বী য়াদৱে পুৰ্ণিয়া, দৰভাংগা আৰু সমষ্টিপুৰতো নিৰ্বাচনী সমাৰেশত ভাগ ল'ব। জ্যেষ্ঠ বিজেপি নেতা সম্ৰাট চৌধাৰী আৰু বিজয় কুমাৰ সিন্‌হায়ো এন ডি এ প্ৰাৰ্থীসকলৰ সমৰ্থনত কেইবাখনো সভাত ভাগ ল'ব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি লক্ষ্নৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্নৌ ছুপাৰ জায়েণ্টছ্ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

মুম্বাই ইণ্ডিয়ানছে যোৱা নিশা চণ্ডিগড়ত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছক ৯ ৰানত পৰাস্ত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৭উইকেটৰ বিনিময়ত ১৯২ ৰান কৰে। মুম্বাইৰ হৈ সূৰ্যকুমাৰ যাদৱে ৫৩ টা বলত ৭৮ ৰান কৰে। পাঞ্জাব কিংছৰ হৰ্ষল পেটেলে ৩টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে ১৯ অ'ভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৮৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাঞ্জাব কিংছৰ আশুতোষ শৰ্মাই ২৮টা বলত ৬১ ৰানৰ বৰঙণি আগবঢ়ায়। মুম্বাইৰ হৈ যশপ্ৰীত বুমৰাহ আৰু জেৰেল্ড কোড্‌জিয়ে ৩টাকৈ উইকেট দখল কৰে।

০০০০০০০

**ঃ সমাপ্ত ঃ**